**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-06-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলা বানৰ কবলত পৰিছে। লখিমপুৰ, গহপুৰ, নগাঁৰৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। নীপকোৱে ৰঙানদীৰ পানী এৰি দিয়াৰ ফলত লখিমপুৰৰ বিস্তীৰ্ণ অঞ্চল বাঢ়নী পানীয়ে বুৰাইছে। বাঢ়নী পানীৰ ফলত চাৰি ঠাইত ৰঙানদীৰ মথাউৰি ছিগিছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। বানৰ ফলত ভালেসংখ্যক লোকৰ বাসগৃহৰ ক্ষতি হৈছে আৰু পথ যোগাযোগো ব্যাহত হৈছে।

কপিলী নৈৰ বাঢ়নী পানীয়ে বুৰাই পেলোৱা হোজাইৰ ক্ষতিগ্ৰস্ত অঞ্চল জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে পৰিদৰ্শন কৰে। ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ খানডং জলবিদ্যুৎ প্ৰকল্পৰ ৭ খন গে'ট খুলি দিয়াত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। ইয়াৰ ফলত হোজাইৰ কেইবাখনো গাঁও বানৰ কবলত পৰিছে। হোজাই জিলা আয়ুক্তগৰাকীয়ে আজি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে আশ্ৰয় শিবিৰ স্থাপন কৰা সন্দৰ্ভত পৰ্যালোচনা কৰে।

ইপিনে কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত **তিনিচুকীয়া** জিলাৰ গুইজানৰ নতুন গাঁৰৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। **ডিব্ৰুগড়** জিলাৰ চাবুৱা আৰু পূব ডিব্ৰুগড় ৰাজহ চক্ৰৰ চাৰিখন গাঁও বানৰ কবলত পৰিছে। **মাজুলীৰ** বিৰিণাবাৰী গাঁৰৰ ঠেকেলানী বিলৰ পাৰৰ কেইবা বিঘা বৰো ধানৰ খেতি বানে বুৰাই পেলাইছে। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত খেতি পথাৰ জলমগ্ন হৈ পৰিছে।

**গোলাঘাট** জিলাৰ নুমলীগড়ত কালিয়নী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। কালিয়নী নৈৰ বাঢ়নী পানীত আবদ্ধ হৈ পৰা তিনিখন বাহনৰ চালক আৰু হেণ্ডিমেনক প্ৰশাসনৰ লোকে স্পীড বটৰ সহায়ত উদ্ধাৰ কৰে।

কপিলী আৰু বৰাপানীৰ বাঢ়নী পানীয়ে নগাঁৰৰ কামপুৰৰ কচুৱাৰ বিভিন্ন অঞ্চল প্লাবিত কৰিছে।

০০০০০০০

বান পৰিস্থিতি আৰু প্ৰাকৃতিক দুৰ্যোগৰ সৈতে মোকাবিলা কৰাৰ লক্ষ্যৰে গোলাঘাটৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্যসকলে এই বৈঠকত অংশ লয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে বান আৰু প্ৰাকৃতিক দুৰ্যোগৰ মোকাবিলা কৰিবলৈ বিভাগসমূহৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। উল্লেখযোগ্য যে নেৰানেপেৰা বৰষুণৰ ফলত বোকাখাতৰ ডিফলু নদীৰ জলস্তৰ বৃদ্ধি পাইছে। বান প্ৰভাৱিত অঞ্চলৰ ৰাইজৰ বাবে কলাখোৱা প্ৰাথমিক বিদ্যালয় আৰু দেওপাহাৰ মধ্য প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে বানৰ সময়ত সকলো বিভাগকে দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আহ্বান জনায়। লগতে তেওঁ সকলো বিভাগকে বান পৰিস্থিতিৰ বাবে সক্ষম হ'বলৈ আহ্বান জনায়।

০০০০০০০

ডিব্ৰুগড় বিমান বন্দৰৰ পৰা নিয়মীয়াকৈ সন্ধিয়াৰ বিমান সেৱা আৰম্ভ কৰাৰ দাবীত ডিব্ৰুগড় প্ৰেছ ক্লাৱে কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জৰিয়তে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ইয়াৰ আগেয়ে প্ৰেছ ক্লাৱে ডিব্ৰুগড় বিমান বন্দৰৰ ৰানৱে সম্প্ৰসাৰণ কৰি অঞ্চলটোৰ বাবে বিমান সংযোগৰ সুবিধা বৃদ্ধিৰ দাবী জনাইছিল। পৰৱৰ্তী  সময়ত সংশ্লিষ্ট মন্ত্ৰালয়ে এই দাবীৰ প্ৰতি সহাঁৰি জনোৱাৰ লগতে ৰাজ্য চৰকাৰে ড০ ভূপেন হাজৰিকা নামেৰে বিমানবন্দৰটো নামকৰণৰ দীৰ্ঘদিনীয়া দাবীক স্বীকৃতি দিয়াৰ বাবে প্ৰেছ ক্লাৱে ধন্যবাদ জ্ঞাপন কৰে। স্মাৰক পত্ৰখনত উজনি অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ ডিব্ৰুগড়ৰ ক্ৰমবৰ্ধমান গুৰুত্বৰ বিষয়ে উল্লেখ কৰি সন্ধিয়াৰ বিমানসেৱা নথকাতো অঞ্চলটোৰ উন্নয়নৰ দিশত বৃহৎ অন্তৰায় বুলি উল্লেখ কৰা হৈছে। এনে পদক্ষেপে কেৱল যোগাযোগ উন্নত কৰাই নহয়  উজনি অসমৰ সংলগ্ন অঞ্চলৰ পৰ্যটন ব্যৱসায় আৰু শিক্ষা খণ্ড উন্নীত হ'ব বুলি পত্ৰখনত উল্লেখ কৰা হয়।

০০০০০০০

অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ মন্ত্ৰী বিমল বৰা, শক্তি, দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী প্ৰশান্ত ফুকনে কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ উপস্থিতিত জিলা ভূমি উপদেষ্টা আৰু সম-জিলা ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী কাৰ্যালয়, বিদ্যালয়-মহাবিদ্যালয়কে ধৰি প্ৰতিষ্ঠানসমূহৰ বাবে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত চৰকাৰী ভূমি আৱণ্টনৰ বিষয়ে আলোচনা কৰা হয়। এই বৈঠকত চৰকাৰী ভূমি আৱণ্টনৰ বাবে লাভ কৰা এহেজাৰ ২৭০ খন প্ৰতিবেদন উপস্থাপন কৰা হয়। সমিতিয়ে প্ৰতিবেদনসমূহ চালিজাৰি চাই যোগ্য বিবেচিতসমূহ অনুমোদন জনায়।

০০০০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজী জিলাৰ জোনাইত বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচীত অংশ লৈ কৃষকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁৰ আধুনিক সংস্কাৰৰ বিষয়ে উল্লেখ কৰি কৃষি কাৰ্যত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰাত গুৰুত্ব আৰোপ কৰে। তদুপৰি চৰকাৰী আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰিবলৈ কৃষকসকলক সহযোগিতা আগবঢ়াবৰ বাবে তেওঁ আহ্বান জনায়। অহা ১২ জুনলৈকে জিলাখনৰ ৫২ টা স্থানত হ'বলগীয়া এই অভিযানত অংশ ল'বলৈ সকলো কৃষকক মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। উল্লেখযোগ্য যে এই অভিযানত অংশগ্ৰহণকাৰী কৃষি বিজ্ঞানী, বিশেষজ্ঞ, বিভিন্ন বিভাগৰ বিষয়া আৰু প্ৰগতিশীল কৃষকৰ দলে কৃষিৰ আধুনিক প্ৰযুক্তি, দক্ষতা আৰু বিজ্ঞানভিত্তিক পৰিচালনা পদ্ধতিৰ বিষয়ে সজাগতা অনুষ্ঠানৰ আয়োজন কৰিছে।

যোৰহাট জিলাতো বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ কলিয়াপানীত থকা কৃষি বিজ্ঞান কেন্দ্ৰত  অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডং বিদ্যুৎ চন্দন ডেকাই এই অভিযানৰ শুভাৰম্ভ কৰে। যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু জিলা প্ৰশাসন, কৃষি, মীন আৰু পশুপালন বিভাগৰ সহযোগত জিলাখনৰ পূবলাহিং গাওঁ পঞ্চায়তত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও কৃষি বিশেষজ্ঞই ভাষণ দিয়ে।

০০০০০০০

**সমাপ্ত**